উদ্যোগৰ পৰা সা-সামগ্ৰী ভাৰতলৈ ৰপ্তানি কৰাৰ অংক কৰি আছে। চুক্তিখনত থকা অন্য ১৪খন দেশৰ পৰা ভাৰতলৈ বৰ বিশেষ বাণিজ্যিক ভাবুকি অহাৰ সম্ভাৱনা নাই। তথাপি ভাৰতে অন্য দেশৰ সৈতে থকা মুক্ত বাণিজ্য চুক্তিও এতিয়া পুনৰীক্ষণ কৰিবলগীয়াত পৰিছে। আৰ ছি ই পিত বয়-বস্তুৰ ৰপ্তানিৰ শুল্ক ৮০ৰ পৰা ৯০ শতাংশ পৰ্যন্ত হ্ৰাস কৰাৰ প্ৰস্তাৱ আছে। সেয়া হৈ উঠিলে বিদেশৰ পৰা অহা সামগ্ৰীৰ দাম কমিব। তেতিয়া ঘৰুৱা উৎপাদন ক্ষেত্ৰ প্ৰবল প্ৰত্যাহ্বানৰ মুখামুখি হ'ব লাগিব। ভাৰতে ৰূপায়ণ কৰি থকা 'মেক ইন ইণ্ডিয়া' আঁচনিলৈ তেতিয়া প্ৰতিৰোধ আহিব। মন কৰিবলগীয়া যে **ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণে তিনিটা দশক অতিক্ৰম কৰিছে। তাৰ পাছতো কিন্তু আমাৰ অৰ্থনীতিত নিৰ্মাণ খণ্ডৰ অৱস্থা আশা কৰা ধৰণে অগ্ৰৱৰ্তী হোৱা নাই।** ভাৰতীয় উদ্যোগ খণ্ডই চীনৰ দৰে দেশৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ আৰু বহুখিনি কৰিবলগীয়া আছে। সেয়ে আৰ ছি ই পিৰ দৰে চুক্তিয়ে ভাৰতৰ বৈদেশিক বাণিজ্যিক ঘাটি বৃদ্ধি কৰাৰ বাদে বিশেষ একো উপকাৰ নাসাধে বুলি স্পষ্টকৈয়ে ক'ব পাৰি। ভাৰতে দক্ষিণ-পুব এছিয়াৰ বহুকেইখন দেশৰ সৈতেও মুক্ত বাণিজ্য চুক্তি তথা বিস্তাৰিত অৰ্থনৈতিক সহযোগিতাৰ চুক্তি কৰি থৈছে। কিন্তু তাৰ পাছতো দেশীয় অৰ্থনীতি বিশেষ লাভান্বিত হৈছে বুলি ক'ব নোৱাৰি। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ সৈতেও ভাৰতৰ বাণিজ্যিক ঘাটি যথেষ্ট আছে। এই ঘাটিও যে আৰ ছি ই পিয়ে বৃদ্ধিহে কৰিলেহেঁতেন, তাত কোনো সন্দেহ নাই। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডত প্ৰচুৰ দুগ্ধজাত সামগ্ৰী উৎপাদিত হয়। ভাৰত আৰু ছি ই পিত থকা হ'লে দেশ দুখনৰ দুগ্ধজাত সামগ্ৰীৰে ভাৰতৰ বজাৰ উপচি পৰিলহেঁতেন। এই চুক্তিৰ অধীনত থকা হ'লে ভাৰতে বহু দেশৰ সৈতে থকা সৰ্বাধিক প্ৰিয় দেশৰ (এম এফ এন) সুবিধাখিনিও হেৰুৱাব লাগিলহেঁতেন। ভাৰতে এই চুক্তিৰ পৰিপ্ৰেক্ষিতত ২০১৪ বৰ্ষৰ সীমাশুল্কক ভিত্তি হিচাপেহে ল'ব লাগে বুলি প্ৰস্তাৱ দিছিল। কিন্তু সেই কথা কোনো দেশেই শুনিব নিবিচাৰিলে। আনহাতে যিবোৰ দেশৰ লগত ভাৰতৰ বিশেষ চকুত লগা বাণিজ্যিক সম্পৰ্ক নাই, সেইসমূহেও আৰ ছি ই পিৰ সুবিধা লৈ ভাৰতৰ সৈতে ব্যৱসায় বৰ্ধনৰ নতুন সুযোগ পালেহেঁতেন। আনহাতে চীনে চুবুৰীয়া ভিয়েটনাম, থাইলেণ্ড, ইণ্ডোনেছিয়া আদিত বিনিয়োগ বৃদ্ধি কৰি তাৰ পৰাই ভাৰতলৈ সামগ্ৰী ৰপ্তানি কৰায়ো একেখন চুক্তিৰ যোগেদি অতিৰিক্ত লাভ আদায় কৰিলেহেঁতেন। মুঠতে চুক্তিৰ অধিনিয়মেৰে আৰ ছি ই পিত ভাৰতক বান্ধি ৰখাত চীন সফল নহ'ল।

আৰ ছি ই পিত ভাৰত নাথাকিলে তাৰ প্ৰভাৱ ভাৰতৰ ওপৰত কিদৰে পৰিব পাৰে? বহু সমালোচকে কৈছে যে ইয়াৰ ফলত ভাৰতৰ বিনিয়োগ কমি যাব পাৰে। এতিয়া চীন বা জাপানৰ বিনিয়োগকাৰীৰ বাবে আৰ ছি ই পিৰ অন্তৰ্গত দেশবোৰত বিনিয়োগৰ আগ্ৰহ বাঢ়িব। তদুপৰি সাধাৰণ সা-সামগ্ৰীবোৰৰ গ্ৰাহকৰ বাবেও দৰৰ হাৰ অপৰিৱৰ্তিত থাকিব। ভাৰত এই চুক্তিৰ ভিতৰুৱা হ'লে হয়তো দাম যথেষ্টখিনি হ্ৰাস পালেহেঁতেন। এতিয়া বিশ্বত ক'ভিড-১৯ মহামাৰীৰ প্ৰকোপৰ পৰিপ্ৰেক্ষিতত যি অৰ্থনৈতিক সংকটৰ সৃষ্টি হৈছে, তেনে পৰিস্থিতিত এনে চুক্তিৰ বাহিৰত থাকিলে সা-সামগ্ৰীৰ যোগান শৃংখল ব্যাহত হ'ব পাৰে। চীনৰ সংবাদ মাধ্যমে এয়া ভাৰত চৰকাৰে কৰা কৌশলগত ভুল বুলি অভিহিত কৰিছে। সদস্যৰাষ্ট্ৰসমূহে ভালদৰেই জানে যে ভাৰতৰ বজাৰখন বিশাল। এই বৃহৎ বজাৰত প্ৰৱেশৰ ইচ্ছা সকলো দেশেই কৰে। এতিয়া সেইসমূহ দেশে ভাৰতৰ বজাৰত প্ৰৱেশৰ বাবে অন্য উপায়, অৰ্থাৎ ভাৰতৰ সৈতে পোনপটীয়াকৈ বাণিজ্যিক সম্পৰ্ক গঢ়াৰ কথা চিন্তা কৰিব লাগিব। তাৰ বিপৰীতে ভাৰত চৰকাৰে 'ভোকেল ফৰ লোকেল' নীতি অনুকৰণ কৰাৰ যি ব্যৱস্থা হাতত লৈছে, তাৰ যোগেদি কিন্তু দেশীয় উদ্যোগ খণ্ডক সুৰক্ষা দিব পৰা যাব। বাস্তৱিকতে ভোকেল ফৰ লোকেল নীতি আৰ ছি ই পিৰ প্ৰতি ভাৰতৰ একধৰণৰ প্ৰত্যুত্তৰ বুলিয়েই ক'ব পাৰি। চৰকাৰীভাৱে এই সন্দৰ্ভত নীতি সঠিকভাৱেই প্ৰস্তুত কৰা হৈছে। ভাৰত চৰকাৰেও জানে যে বাণিজ্যিক দিশত এনে প্ৰত্যাহ্বান অৱধাৰিতভাৱেই আহিব, কিন্তু তাৰ সৈতে তাল মিলাই চৰকাৰে নীতিও যুগুত কৰিব লাগিব। আৰ ছি ই পিয়ে চীনৰ বাদে অন্য ১৪খন দেশৰ অৰ্থনীতিৰ কি উপকাৰ কৰে নে সেইবোৰ চীনৰ উপনিৱেশতহে পৰিণত হয়, সেই প্ৰশ্নৰ উত্তৰ অৱশ্যে সময়েহে দিব।

ফোন ঃ ৭০৩৫৯০৫২৩৮

# ছুড'কু

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ৯ | ৩ | ৬ | ৮ | ৪ | ১ | ৫ | ৭ | ২ |
| ৭ | ২ | ৮ | ৯ | ৫ | ৬ | ৩ | ৪ | ১ |
| ৪ | ১ | ৫ | ২ | ৩ | ৭ | ৮ | ৬ | ৯ |
| ১ | ৭ | ৩ | ৬ | ৯ | ৪ | ২ | ৮ | ৫ |
| ৫ | ৪ | ৯ | ৭ | ২ | ৮ | ৬ | ১ | ৩ |
| ৬ | ৮ | ২ | ৩ | ১ | ৫ | ৭ | ৯ | ৪ |
| ২ | ৬ | ৪ | ১ | ৮ | ৩ | ৯ | ৫ | ৭ |
| ৮ | ৯ | ১ | ৫ | ৭ | ২ | ৪ | ৩ | ৬ |
| ৩ | ৫ | ৭ | ৪ | ৬ | ৯ | ১ | ২ | ৮ |

(১। ১। ২০২১ সংখ্যাৰ 'ছুড'কু'ৰ উত্তৰ)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | ৬ | | | | ২ | ৫ |
| | | | | | | ৪ | | ৯ |
| ২ | | ৫ | | ৯ | ১ | | | |
| ৮ | | | ১ | ৬ | | | ৩ | ৭ |
| ১ | | | ৯ | | ৩ | | | ২ |
| ৬ | ৩ | | | ৭ | ৮ | | | ১ |
| | | | ৭ | ৪ | | ২ | | ৩ |
| ৩ | | ৬ | | | | | | |
| ৫ | ২ | | | | ৬ | | | |

* উত্তৰ অহা সংখ্যাত প্ৰকাশ পাব